অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং :৬০
উত্তৰ দানৰ তাৰিখ –০৮/০৭/২০২৬

*বিষয় :* **PMAY আৱাস যোজনা সম্পৰ্কে**
বিধায়ক: শ্ৰী আফতাব উদ্দিন মোল্লা :

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জলেশ্বৰ সমষ্টিৰ উন্নয়ন খণ্ড আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ড দুখনৰ অন্তৰ্গত সৰ্বমুঠ কিমানটা PMAY আৱাস ঘৰ সম্পৰ্ণ হৈছে আৰু কিমানটা PMAY আৱাস ঘৰ সম্পূৰ্ণ হৈ উঠা নাই, তথ্য সহকাৰে জনাব।

(খ) যোৱা বিধানসভা নিৰ্বাচনৰ আগে আগে পোৱা PMAY ৰ হিতাধিকাৰী সকলক দ্বিতীয় আৰু তৃতীয় কিস্তিৰ টকা কেতিয়া মুকলি কৰি দিয়া হ'ব ? তথ্য সহকাৰে জনাব।

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) জলেশ্বৰ উন্নয়ন খণ্ড আৰু কামাখ্যাবাৰী উন্নয়ন খণ্ড দুখনৰ অন্তৰ্গত সৰ্বমুঠ ২৬,৩৯৯ টা PMAY-G ঘৰ সম্পূৰ্ণ হৈছে আৰু ১৪,০৬১ টা PMAY-G ঘৰ নিৰ্মীয়মাণ 'Ongoing' অৱস্থাত আছে। বিতং তথ্য **পৰিশিষ্ট-ক'ত** সন্নিৱিষ্ট কৰা আছে।

(খ) যোৱা ২০২৬ বিধানসভা নিৰ্বাচনৰ আগে আগে, বিত্তীয় বৰ্ষ ২০২৫-২৬ ত অসমত মুঠ ৩,২৮,৬১২টা PMAY-G গৃহ আৱণ্টন কৰা হৈছে। ইয়াৰ ভিতৰত ইতিমধ্যে ২,৮৫,০৩৩ জন হিতাধিকাৰীক প্ৰথম কিস্তি, ৮১,০৭৫ জন হিতাধিকাৰীক দ্বিতীয় কিস্তি আৰু ৫,৯৮৮ জন হিতাধিকাৰীক তৃতীয় কিস্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। PMAY-G-ৰ Framework For Implementation' নিৰ্দেশনা অনুসৰি গৃহনিৰ্মাণৰ নিৰ্ধাৰিত পৰ্য্যায় "Geo-tagging at Plinth level & Roof Cast level" সম্পূৰ্ণ কৰা পিছত পৰ্য্যায় ক্ৰমে দ্বিতীয় আৰু তৃতীয় কিস্তি দিয়াৰ ব্যৱস্থা কৰা হয়। জলেশ্বৰ উন্নয়ন খণ্ডত যোৱা ২০২৬ বিধানসভা নিৰ্বাচনৰ আগে আগে, বিত্তীয় বৰ্ষ ২০২৫-২৬ ত মুঠ ৬,৫৬৮ টা PMAY-G গৃহ আৱণ্টন কৰা হৈছে। ইয়াৰ ভিতৰত ৫,৯৫৯ জন হিতাধিকাৰীক প্ৰথম কিস্তি, ৯৫ জন হিতাধিকাৰীক দ্বিতীয় কিস্তি আৰু ১ জন হিতাধিকাৰীক তৃতীয় কিস্তি দিয়া হৈছে।

ঠিক তেনেদৰে কামাখ্যাবাৰী উন্নয়ন খণ্ডত মুঠ ৩,৯৮৩ টা PMAY-G গৃহ আৱণ্টন কৰা হৈছে। ইয়াৰ ভিতৰত ৩,৬২৬ জন হিতাধিকাৰী ক প্ৰথম কিস্তি, ৩৭৩ জন হিতাধিকাৰী ক দ্বিতীয় কিস্তি আৰু ১জন হিতাধিকাৰীক তৃতীয় কিস্তি দিয়া হৈছে। উপৰত উল্লেখিত ধৰণে PMAY-G-ৰ Framework For Implementation' নিৰ্দেশনা অনুসৰি গৃহনিৰ্মাণৰ নিৰ্ধাৰিত পৰ্য্যায় "Geo-tagging at Plinth level & Roof Cast level" সম্পূৰ্ণ কৰা পিছত পৰ্যায় ক্ৰমে দ্বিতীয় আৰু তৃতীয় কিস্তি দিয়াৰ ব্যৱস্থা কৰা হয়।

( সংলগ্ন পত্ৰ সমুহ “cms.neva.gov.in” পোৰটেলত আপলোড কৰা হৈছে )
(Enclosures are uploaded in the “cms.neva.gov.in” portal.)

*******

'পৰিশিষ্ট- ক'

পৰিশিষ্ট-ক

সন্মানীয় বিধায়ক শ্ৰী আফতাবুদ্দিন মোল্লা ডাঙৰীয়াই সোধা বিধানসভাৰ প্ৰশ্ন D.No.1(ক)-ৰ উত্তৰ

| ক্ৰমিক নং | উন্নয়ন খণ্ডৰ নাম | পঞ্চায়তৰ নাম | মঞ্জুৰিকৃত হোৱা PMAY-G ঘৰৰ সংখ্যা | সম্পূৰ্ণ হোৱা PMAY-G ঘৰৰ সংখ্যা | নিৰ্মীয়মাণ অৱস্থাত থকা PMAY-G ঘৰৰ সংখ্যা |
|---|---|---|---|---|---|
| ১ | জলেশ্বৰ | গোসাইডুবি | ১১১৯ | ৮৪২ | ২৭৭ |
| ২ | জলেশ্বৰ | গুৰিয়াধাপ | ৬৮৪ | ৩৯৪ | ২৯০ |
| ৩ | জলেশ্বৰ | হাসডোবা গৌৰনগৰ | ২০৯৪ | ৮০৬ | ১২৮৮ |
| ৪ | জলেশ্বৰ | জলেশ্বৰ | ২৮৫৬ | ২২১১ | ৬৪৫ |
| ৫ | জলেশ্বৰ | কটাৰীহাৰা | ১৭২০ | ১১২৯ | ৫৯১ |
| ৬ | জলেশ্বৰ | কাঠুৰী মনকোলা সাইলধাৰা | ৮৪৪ | ৬২৮ | ২১৬ |
| ৭ | জলেশ্বৰ | খালিসাৰভীটা | ২৪৯৮ | ৯৩৮ | ১৫৬০ |
| ৮ | জলেশ্বৰ | ৰাজামিতা | ২১৬৫ | ১৩১২ | ৮৫৩ |
| ৯ | জলেশ্বৰ | শিমলাবাৰী | ২২১৮ | ৯৩৮ | ১২৮০ |
| ১০ | জলেশ্বৰ | তাকীমাৰী হাগুৰীপাৰা | ১৩৬৫ | ২৯৯ | ১০৬৬ |
| ১১ | জলেশ্বৰ | তৰংগপুৰ | ১৮০৩ | ১৭১১ | ৯২ |
| জলেশ্বৰ উন্নয়ন খণ্ডৰ উপ-মুঠ | | | ১৯৩৬৬ | ১১২০৮ | ৮১৫৮ |
| ১২ | কামাখ্যাবাৰী | আমবাৰী মাৰ্কুলা | ১৮২৭ | ১২৩৬ | ৫৯১ |
| ১৩ | কামাখ্যাবাৰী | আওলাতলী | ৯২০ | ৪৬৪ | ৪৫৬ |
| ১৪ | কামাখ্যাবাৰী | বাঁহবাৰী | ১৯৬৪ | ১৫২৮ | ৪৩৬ |
| ১৫ | কামাখ্যাবাৰী | চুনাৰী | ২৪০৯ | ১৬০৪ | ৮০৫ |
| ১৬ | কামাখ্যাবাৰী | ফৰিঙাপাৰা বাপুৰভীটা | ৩৩৯৬ | ২৯৩০ | ৪৬৬ |
| ১৭ | কামাখ্যাবাৰী | কালসাভাংগা ৰৌখোৱা | ১০৪৯ | ৭১৪ | ৩৩৫ |
| ১৮ | কামাখ্যাবাৰী | খাৰমুজা | ১৫৭২ | ১২১২ | ৩৬০ |
| ১৯ | কামাখ্যাবাৰী | নলঙা | ২১৭২ | ১৬১৬ | ৫৫৬ |
| ২০ | কামাখ্যাবাৰী | ৰামহৰিৰচৰ খানখোৱা | ১৩৫৫ | ৯৬৮ | ৩৮৭ |
| ২১ | কামাখ্যাবাৰী | ৰৌমাৰী | ১৯৪৭ | ১৪৩৩ | ৫১৪ |
| ২২ | কামাখ্যাবাৰী | সাকতোলা | ২৪৮৩ | ১৪৮৬ | ৯৯৭ |
| কামাখ্যাবাৰী উন্নয়ন খণ্ডৰ উপ-মুঠ | | | ২১০৯৪ | ১৫১৯১ | ৫৯০৩ |
| জলেশ্বৰ বিধানসভা সমষ্টিৰ সৰ্বমুঠ | | | ৪০৪৬০ | ২৬৩৯৯ | ১৪০৬১ |

13/3/24

মুখ্য কাৰ্যবাহী বিষয়া,
গোৱালপাৰা জিলা পৰিষদ